# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**পাটগাঁও, ৰাণীগে'ট – ৭৮১ ০১৭**

## অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা-২০১৯

**অৱেদন পত্ৰ**

*(অসমীয়াতহে আৱেদন পত্ৰখন পূৰণ কৰিব বা সকলো তথ্য প্ৰদান কৰিব, কেৱল ই-ঠিকনাৰ বাদে)*

**(আৱেদন পত্ৰখন পূৰণ কৰাৰ পূৰ্বে নিয়মাৱলীখিনি ভালদৰে পঢ়ি ল'বলৈ অনুৰোধ জনালোঁ)**

নাট্য দলৰ নাম:

যোগাযোগৰ সম্পূৰ্ণ ঠিকনা:

যোগাযোগকাৰীৰ নাম:

ভ্ৰাম্যভাষ নম্বৰ**:**

ই-ঠিকনা:

নাট্য প্ৰস্তুতিৰ নাম:

নাট্যকাৰৰ নাম:

অনুবাদক/অভিযোজকৰ নাম (যদি প্ৰযোজ্য):

পৰিচালকৰ নাম:

অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা, ২০১৯-ত নাটক পৰিৱেশনৰ বাবে নাট্যকাৰে প্ৰদান কৰা অনুমতি পত্ৰৰ প্ৰতিলিপি (যদি প্ৰয়োজন হয়):

নাটকখন লিখোঁতে বা পৰিৱেশন কৰোঁতে কোনো চৰ্ত থকা সম্পত্তি ব্যৱহাৰ কৰিছে যদি তাৰ অনুমতি পত্ৰৰ প্ৰতিলিপি:

নাট্য পৰিৱেশনৰ দৈৰ্ঘ্য:

নাট্য পৰিৱেশনত ব্যৱহাৰ কৰা ভাষা:

নাটকখনৰ প্ৰথম পৰিৱেশনৰ তাৰিখ আৰু চন:

নাটকখনৰ প্ৰথম পৰিৱেশনৰ স্থান:

নাটকখনৰ অন্তিম পৰিৱেশনৰ তাৰিখ আৰু চন:

নাটকখনৰ অন্তিম পৰিৱেশনৰ স্থান:

এই নাটকখনে কোনো ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় নাট্য মহোৎসৱত অংশগ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তাৰ সবিশেষ:

## <u>নিম্নলিখিত তথ্যখিনি পৃথকে পৰিশিষ্ট হিচাপে জমা দিব লাগিব</u>

### <u>পৰিশিষ্ট ১</u>

নাটকখনৰ দৃশ্যসমূহৰ সংক্ষিপ্ত পৰিচয় আৰু নাটকখনৰ মুল বক্তব্য:
*(বিশ্ববিদ্যালয়ে প্ৰয়োজন অনুভৱ কৰিলে নাটকখনৰ মূল কপিও জমা দিবলগীয়া হ'ব পাৰে)*

### <u>পৰিশিষ্ট ২</u>

**অনুগ্ৰহ কৰি নিম্নউল্লিখিত তথ্যসমূহ প্ৰদান কৰিব:**

- নাট্যদলটোৰ বিষয়ে একাষাৰ (অতি বেছি ১৫০টা শব্দৰ ভিতৰত):
- নাটকখনৰ বিষয়বস্তু সম্পৰ্কে একাষাৰ (অতি বেছি ১৫০টা শব্দৰ ভিতৰত):
- পৰিচালকৰ একাষাৰ (অতি বেছি ১৫০টা শব্দৰ ভিতৰত):
- নাট্যকাৰ, পৰিচালক, অনুবাদক সম্পৰ্কে একাষাৰ (অতি বেছি ১৫০টা শব্দৰ ভিতৰত প্ৰতিগৰাকীৰে):
- নাটকৰ শিল্পীসকলৰ নাম:
- নাটকখনৰ প্ৰদৰ্শন সম্পৰ্কে বিভিন্ন কাকতত প্ৰকাশ পোৱা সমালোচনাৰ প্ৰতিলিপি (যদি আছে):
- নাটকখনৰ সম্পূৰ্ণ কাৰিকৰী তথ্য (পোহৰসজ্জা, শব্দব্যৱস্থা, মঞ্চসজ্জা তথা আন আন প্ৰয়োজনীয় সামগ্ৰী সম্পৰ্কে বিশদ তথ্য আৰু ৰেখাচিত্ৰ):
- নাটকখনৰ DVD এখন জমা দিয়াটো বাধ্যতামূলক (অৱশ্যে, ইন্টাৰনেটত যদি নাটকখন আপলʼড কৰা আছে, তেন্তে ডাউনলʼড কৰিব পৰাকৈ তাৰ লিংক পঠিয়াব পাৰিব):

## পৰিশিষ্ট ৩

**নাট্যদলটোৰ সদস্যৰ সংখ্যা:**
*(অনুগ্ৰহ কৰি পৃথকে এখন কাগজত নাট্যদলটোৰ সদস্যসকলৰ নাম, বয়স, লিংগৰ লগতে নাটকখনৰ পৰিৱেশনত কি হিচাপে সংলগ্ন হৈ আছে সেয়া উল্লেখ কৰিব)*

**পুৰুষ:** **মহিলা:** **সৰ্বমুঠ:**

---

## ঘোষণা

মই/আমি 'অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা, ২০১৯'ত নাটক পৰিৱেশনৰ বাবে বান্ধি দিয়া সকলো নীতি-নিময় ভালদৰে পঢ়ি বুজি পাইছোঁ আৰু সেয়া মানি চলিম বুলি কথা দিলোঁ। এই আৱেদন পত্ৰৰ লগত প্ৰদান কৰা সকলো তথ্য সঁচা আৰু শুদ্ধ বুলি স্বজ্ঞানে স্বাক্ষৰ কৰিলোঁ। নাট্য নিৱেদনৰ সকলো প্ৰয়োজনীয় তথ্য মই/আমি আৱেদন পত্ৰৰ লগত সংলগ্ন কৰি দিছোঁ।

আৱেদনকাৰী/নাট্যদলৰ যোগাযোগকাৰীৰ স্বাক্ষৰ

নাম:

পদবী:

স্থান:

তাৰিখ: (নাট্য দলৰ চীল-মোহৰ)

## <u>নিয়মাৱলী</u>

- নাটকখন গুৱাহাটীত মঞ্চস্থ হ'ব জুন মাহৰ ১২ তাৰিখে। (সম্ভৱতঃ শ্ৰীশ্ৰীশংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই নাট মঞ্চস্থ হ'ব।)
- এই নাটকখন পূৰ্বৰ 'অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা'ত মঞ্চস্থ কৰা হ'ব নোৱাৰিব।
- কেৱল এখন নাটকহে এই নাট্যসন্ধ্যাত প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত কৰা হ'ব আৰু নিৰ্বাচনৰ সম্পূৰ্ণ স্বত্ব বিশ্ববিদ্যালয়ৰ হাতত সংৰক্ষিত থাকিব।
- নাটকখনৰ প্ৰথম প্ৰদৰ্শন ২০১৭ চনৰ ১২ জুনৰ পূৰ্বে হ'ব নোৱাৰিব।
- আৱেদন পত্ৰ গ্ৰহণ কৰাৰ অন্তিম তাৰিখ ১০ মে', ২০১৯।
- এটা নাট্য দলে কেৱল এখনহে নাটক প্ৰেৰণ কৰিব পাৰিব।
- নাট্য প্ৰদৰ্শনটোৰ সময়সীমা অতি কমেও ৬০ মিনিট আৰু সৰ্বোচ্চ ৯০ মিনিটৰ বেছি হ'ব নোৱাৰিব।
- আৱেদন পত্ৰ **পঞ্জীয়ক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, হাউচফেড কমপ্লেক্স, লাষ্ট গে'ট, দিশপুৰ, গুৱাহাটী- ০৬, কামৰূপ মেট্ৰ', অসম** - এই ঠিকনাত প্ৰেৰণ কৰিব লাগিব আৰু খামৰ ওপৰত ***'অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা-২০১৯'*** বুলি উল্লেখ কৰিব লাগিব। অসম্পূৰ্ণ আৱেদন পত্ৰ নাট্য প্ৰদৰ্শনীৰ বাবে বিবেচনা কৰা নহ'ব।
- নাট্য প্ৰদৰ্শনী সম্পৰ্কে কিবা খু-দুৱনি থাকিলে mrinaljyoti@kkhsou.in লৈ মেইল প্ৰেৰণ কৰি খবৰ ল'ব পৰিব।
- আৱেদন পত্ৰৰ সৈতে প্ৰেৰণ কৰা কোনো তথ্য ওভতাই দিয়া নহ'ব।
- নাটকখনৰ DVD-খনৰ ছবি আৰু শব্দৰ গুণগত মান উচ্চ হোৱাটো বাঞ্চনীয়।
- মে' মাহৰ ৩০ তাৰিখৰ ভিতৰত নিৰ্বাচিত নাট্য দলক খবৰ দিয়া হ'ব।
- বিশ্ববিদ্যালয়ৰ ফালৰ পৰা নাট্য প্ৰদশনীটিৰ মাননি হিচাপে **৫০,০০০/- (পঞ্চাশ হাজাৰ)** টকা প্ৰদান কৰা হ'ব।
- বিশ্ববিদ্যালয়ে নাট্যদলটোৰ অহা-যোৱা-থকা আৰু খোৱা-বোৱাৰ দায়িত্ব গ্ৰহণ নকৰে। সেয়া নিজে যোগাৰ কৰি ল'ব লাগিব আৰু ইয়াৰ বাবেও সৰ্বমুঠ **২০,০০০/-(বিশ হাজাৰ)** টকা প্ৰদান কৰা হ'ব।
- সমুদায় ধনৰাশি চেক যোগে অথবা ইলেক্ট্ৰনিকভাৱে নাট্য দলৰ একাউন্টতহে আদায় দিয়া হ'ব, কাৰো ব্যক্তিগত একাউন্টত ধনৰাশি প্ৰদান কৰা নহয়।
- নাটকৰ দিনা বিয়লি ১.০০ বজাৰ পৰা প্ৰেক্ষাগৃহ প্ৰস্তুতিৰ বাবে প্ৰদান কৰা হ'ব।
- নাটকৰ বাবে প্ৰয়োজনীয় ন্যূনতম মঞ্চসজ্জা আৰু পোহৰ প্ৰক্ষেপণৰ সামগ্ৰী বিশ্ববিদ্যালয়ৰ ফালৰ পৰা যোগান ধৰা হ'ব। ইয়াৰ বাবে আগতীয়াকৈ পোহৰ পৰিকল্পনা আৰু মঞ্চসজ্জাৰ পৰিকল্পনা বিশ্ববিদ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব।
- নাটকখনৰ আৱহ সংগীত ব্যৱস্থাপনাৰ বাবে কোনো বিশেষ কাৰিকৰী ব্যৱস্থাৰ প্ৰয়োজন হ'লে আগতীয়াকৈ জনাব লাগিব।
- মঞ্চত কোনোধৰণৰ জীৱিত জীৱ-জন্তু প্ৰদৰ্শন কৰিব নোৱাৰিব আৰু কোনো ধৰণৰ জুই জ্বলা সামগ্ৰীও মঞ্চত ব্যৱহাৰ কৰিব নোৱাৰিব।
- বিশ্ববিদ্যালয়ে নাটকখন বিশ্ববিদ্যালয়ৰ আৰ্কাইভত সংৰক্ষণৰ বাবে স্থিৰচিত্ৰ আৰু দৃশ্য-শ্ৰব্য ৰূপে ৰেকৰ্ডিং কৰিব। ইয়াৰ কোনোধৰণৰ ব্যৱসায়িক ব্যৱহাৰ কৰা নহয়।

- বিশ্ববিদ্যালয়ে নাট্যসন্ধিয়াটিৰ লগত সংগতি ৰাখি এখনি পুস্তিকাও প্ৰকাশ কৰিব। উক্ত পুস্তিকাৰ বাবে আপোনালোকৰ নাট্য দলৰ চমু পৰিচিতি, পৰিচালকৰ একাষাৰ, নাটকখনৰ বিষয়ে একাষাৰ, অংশগ্ৰহণ কৰা শিল্পীসকলৰ নাম আমালৈ প্ৰেৰণ কৰাৰ লগতে নাটকখনৰ পূৰ্ব প্ৰদৰ্শনীৰ ৫খন ভাল স্থিৰচিত্ৰ আমালৈ প্ৰেৰণ কৰিব লাগিব। স্থিৰচিত্ৰসমূহ ই-মেইল যোগে mrinaljyoti@kkhsou.in লৈ প্ৰেৰণ কৰিব।
- নাট্য প্ৰদৰ্শনী সন্ধিয়া ৬.৩০ বজাৰ পৰা আৰম্ভ কৰা হ'ব। নাটকৰ আগমূহূৰ্তত ৬.১৫ বজাত স্বৰ্গীয় অচ্যুত লহকৰক শ্ৰদ্ধা জ্ঞাপন কৰি এগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা নাটসন্ধ্যাটিৰ মঞ্চ মুকলি কৰা হ'ব।
- কোনো বিশেষ কাৰণবশতঃ নাট্যসন্ধিয়াটি বাতিল কৰিবলগীয়া হ'লে আপোনালোকক আগতীয়াকৈ জনোৱা হ'ব আৰু ইয়াৰ সম্পূৰ্ণ কৰ্তৃত্ব বিশ্ববিদ্যালয়ৰ হাতত থাকিব।